জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫/২০২১

## শিক্ষা বিভাগৰ কাম-কাজৰ সামগ্ৰিক পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# শিক্ষক বদলিকৰণ আইন কঠোৰভাৱে বলৱৎকৰণৰ লগতে শিক্ষকৰ বদলি প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে মেধাভিত্তিত আৰু চফ্‌টৱেৰযোগে পৰিচালিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিক্ষামন্ত্ৰী ৰণোজ পেগু আৰু বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত ৰাজ্যৰ শিক্ষা বিভাগৰ কাম-কাজসমূহৰ সামগ্ৰিক পৰ্যালোচনা কৰে। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এই পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শিক্ষা বিভাগৰ কাম-কাজসমূহে যাতে পূৰ্বৰ দৰেই গুৰুত্ব লাভ কৰে আৰু বিভাগটোৰ আঁচনিসমূহ ৰূপায়ণত যাতে পুঁজিৰ কোনো অন্তৰায় নহয়, সেয়া বিত্ত বিভাগে সুনিশ্চিত কৰিব কৰিব লাগিব। পৰৱৰ্তী পাঁচ বছৰত অন্যান্য চৰকাৰী বিভাগসমূহৰ দৰে শিক্ষা বিভাগৰো কাম-কাজৰ মৌলিক পদ্ধতিসমূহৰ সংস্কাৰৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী কাম-কাজৰ সুচলতাত বাধাৰ সৃষ্টি কৰা আইন বা নিয়মসমূহ প্ৰয়োজনসাপেক্ষে সংশোধনৰ বাবে বিভাগসমূহে উদ্যোগ ল'ব লাগিব।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে শিক্ষা বিভাগৰ শীৰ্ষস্থানীয় বিষয়ববীয়াসকলক বহুকেইটা গুৰুত্বপূৰ্ণ নিৰ্দেশনাও প্ৰদান কৰে। শিক্ষক বদলিকৰণ আইন কঠোৰভাৱে বলৱৎকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে শিক্ষকৰ বদলি প্ৰক্ৰিয়াটো যাতে সম্পূৰ্ণৰূপে মেধাৰ তালিকাৰ ভিত্তিত আৰু চফ্‌টৱেৰযোগে পৰিচালিত হয়, সেয়া সুনিশ্চিত কৰিবই লাগিব। ইয়াৰ বাবে প্ৰয়োজনীয় এক চফ্‌টৱেৰ অতি শীঘ্ৰে প্ৰস্তুত কৰি তোলাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। ৰাজ্যৰ মাদ্ৰাছাসমূহক সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰৰ প্ৰক্ৰিয়া দ্ৰুততৰ কৰি তুলিবলৈ তেওঁ বিভাগক নিৰ্দেশ দিয়ে। ৰাজ্যৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত অগ্ৰাধিকাৰভিত্তিত শিক্ষক নিযুক্তি প্ৰদান কৰা আৰু সংশ্লিষ্ট বিদ্যালয়সমূহৰ অধ্যক্ষসকলক তাৰ কৰ্তৃত্ব প্ৰদান কৰা, ৰাজ্যৰ ইঞ্জিনিয়াৰিং আৰু পলিটেকনিক শিক্ষানুষ্ঠানসমূহৰ বাবে "আছাম ইঞ্জিনিয়াৰিং ছাৰ্ভিচ ৰিক্ৰুইটমেণ্ট বৰ্ড"ৰ দৰে এক স্বতন্ত্ৰ নিযুক্তি প্ৰদানকাৰী সংস্থা গঠন আৰু ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহৰ খালী পদসমূহত দ্ৰুততাৰে শিক্ষক নিযুক্তি সম্পূৰ্ণ কৰাৰ বাবেও আজি মুখ্যমন্ত্ৰীয়ে বিভাগক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত নতুন আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠাৰ লগতে শিক্ষক ৰিটেনশ্যন পলিচী যুগুতৰো নিৰ্দেশ দিয়ে। তেওঁ লগতে চাহ বাগিচা এলেকাৰ নৱনিৰ্মিত বিদ্যালয়সমূহৰ বাবে শিক্ষকৰ পদ সৃষ্টি কৰা, কলেজ শিক্ষকৰ নিযুক্তিক এক নিয়মীয়া প্ৰক্ৰিয়াৰূপে গ্ৰহণ কৰা, ২০২২ চনত পৰৱৰ্তী গুণোৎসৱ অনুষ্ঠিত কৰিব পৰাকৈ পূৰ্বে আয়োজিত গুণোৎসৱৰ ফলাফলৰূপে হাতত লবলগীয়া আন্তঃগাঁথনিমূলক

কামসমূহ শীঘ্ৰে সমাপ্ত কৰাৰো নিৰ্দেশ দিয়ে। নতুনকৈ গঠন কৰা জিলা আৰু মহকুমাসমূহৰ বাবে প্ৰশাসনিক পদসমূহ শীঘ্ৰে পূৰণৰ পদক্ষেপ লবলৈও তেওঁ বিভাগক নিৰ্দেশ প্ৰদান কৰে। ৰাজ্যৰ সকলো স্তৰৰ বিদ্যালয়সমূহৰ নৱনিযুক্ত প্ৰাদেশীকৃত শিক্ষক তথা টিউটৰসকলৰ দৰমহা মুকলিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশনা প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা ১ জুনৰ ভিতৰত এই শিক্ষকসকলে দৰমহা লাভ কৰাটো বিভাগে সুনিশ্চিত কৰিব লাগিব। মেধাৱী ছাত্ৰীসকললৈ স্কুটী বিতৰণৰ বাকী ৰোৱা কামসমূহো অহা ১৫ জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। ৰাজ্যত প্ৰাথমিক শিক্ষা বিভাগ, মাধ্যমিক শিক্ষা বিভাগ, সৰ্বশিক্ষা মিছন আদি বিভিন্ন বিভাগৰ অধীনত নিযুক্ত সকলো কৰ্মৰত শিক্ষকক একেটা নিয়ন্ত্ৰণকাৰী সংস্থাৰ অধীনলৈ আনিব পৰা যায় নেকি সেয়া পৰীক্ষাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আজি শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে বিনামূলীয়া পাঠ্যপুথি যোগান প্ৰক্ৰিয়াটো ত্ৰুটীমুক্ত কৰাৰ লগতে খৰতকীয়াকৈ ই-পাঠ্যপুথি প্ৰস্তুতৰ কামত আত্মনিয়োগ কৰিবলৈ অসম পাঠ্যপুথি প্ৰণয়ণ আৰু প্ৰকাশন নিগম লিমিটেডক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত উচ্চ শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ আয়ুক্ত-সচিব প্ৰীতম শইকীয়াকে ধৰি বিভাগটোৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৮/০৫/২০২১**